Assamese

# গীতৰ যাদু

এটা বুন্দেলখণ্ডী লোক-কথা

চিত্ৰকৰ: জিতেন্দ্ৰ ঠাকুৰ





**এখন** গাঁৱত এগৰাকী মহিলা আছিল যি কেতিয়াও গীত গোৱা নাছিল। গাঁৱৰ সকলো মহিলাই জাঁত  ঘূৰাওঁতে বা কুঁৱালে যাওঁতে গীত গাই গাই যায় কিন্তু তাই মনে মনে থাকে। গাবলৈ তাইৰো মন যায় কিন্তু তাই কোনো গীত গাব নাজানে।







এদিন সেই মহিলা গৰাকীয়ে তাইৰ চুবুৰীয়া এগৰাকীক সুধিলে, "সখী, তুমি সকলো সময়তে কেনেকৈ গীত গাই থাকা? তুমি ইমানবোৰ গীত ক'ৰ পৰা শিকা?"

"হেই - হেই..." তাইৰ চুবুৰীয়া গৰাকীয়ে ধেমালিতে ক'লে, "এইটো বৰ সহজ। গানবোৰ দেখোন বজাৰতে কিনিবলৈ পোৱা যায়, ৰেডিমেড। মই যেতিয়াই মন যায় তেতিয়াই কিনি লৈ আনো। তুমিও গৈ কিনি আনিবা।"





এই কথা শুনি মহিলা গৰাকী বৰ আনন্দিত হ'ল। গিৰিয়েক ঘৰলৈ আহিলত তাই ক'লে, "সোনকালে বজাৰলৈ গৈ মোৰবাবে কেইটামান গীত কিনি আনাগৈ।"

"মইটো বজাৰত গীত বিক্ৰী কৰা দেখা নাই!" গিৰিয়েকে আচৰিত হৈ ক'লে, "যি নহওঁক মই গৈ চাই আহো। মোক পাঁচ টকা দিয়া, মই এটা অতি সুমধুৰ গীত লৈ আনোগৈ।"







তেওঁ খোজ কাঢ়ি কাঢ়ি বজাৰলৈ বুলি ওলাই গ'ল আৰু প্ৰথম দোকানখন পালেগৈ। তাত শস্য বিক্ৰী কৰা হৈছিল। তেওঁ দোকানীজনৰ ফালে টকাখিনি আগবঢ়াই দি ক'লে "মোক এটা  সুমধুৰ গীত দিয়া ভাই।"

দোকানীজনে নিজৰ ল'ৰাটোলৈ চাই চকু টিপিয়াই ঠাট্টা কৰি ক'লে, "অহ! মোৰ সকলো গীত বিক্ৰী হৈ গ'ল – শাক-পাচলি দোকানীজনক সুধি চাওঁক।"



গিৰিয়েক পাচলিৰ দোকানলৈ গ'ল। তেওঁ ক'লে, "গীত নাই।" কাপোৰৰ দোকানীৰো একেই অৱস্থা আছিল। "সোণাৰিৰ ওচৰত সুধি চোৱা," তেওঁ ক'লে।

আৰু এনেদৰেই গোটেই দুপৰীয়াটো ইখনৰ পিছত সিখন দোকান ঘুৰি ফুৰি এটা গীতো কিনিব পৰা নাছিল। অৱশেষত তেওঁ দুখ মনেৰে ঘৰলৈ বুলি খোজ ল'লে।




বাটত তেওঁ এটা নিগনিয়ে গাত খান্দি থকা দেখিলে। দৃশ্যটো দেখি তেওঁৰ মনলৈ এটা ভাব আহিল। "মই নিজেই এটা গীত বনাওঁ য'ত এই নিগনিটো থাকিব," তেওঁ ভাবিলে আৰু আৰম্ভ কৰিলে:

খান্দে খৰক খৰক

তেওঁ নিজেই সুখী হৈ গান গাই গাই গ'ল:

খান্দে খৰক খৰক,
খান্দে খৰক খৰক







অলপ আগলৈ গৈ তেওঁ এটা সাপ চুচৰি থকা দেখিলে আৰু গীতত মিলালে:


চুচৰে চৰক - চৰক

এতিয়া তেওঁ গৌৰৱেৰে গীত গাবলৈ ধৰিলে:

খান্দে খৰক - খৰক
চুচৰে চৰক - চৰক



আগলৈ জোপোহাৰ পাছফালৰ পৰা
এটা শহাপহু ভুমুকি মাৰি থকা দেখি
তেওঁৰ মুখেৰে ওলালে:
চাইছে ইফালে - সিফালে







এতিয়া তেওঁৰ গীতটো প্ৰায় হৈ গ'ল। কিছুমান
হৰিণ জপিয়াই থকা দেখি তেওঁ গালে:

জপিয়াই জপং জপং





বচ্, গীত হৈ গ'ল। তেওঁ আনন্দ মনেৰে
গীত গাই গাই ঘৰলৈ গ'ল:

খান্দে খৰক - খৰক
চুচৰে চৰক - চৰক
চাইছে ইফালে - সিফালে
জপিয়াই জপং জপং




ঘৰলৈ উভতি আহি তেওঁ ঘৈণীয়েকৰ আগত গীতটো গাই শুনালে আৰু ক'লে, "এইটোৱেই বজাৰৰ আটাইতকৈ দামী গীত।" তাই বহুত সুখী হ'ল আৰু লগে লগে গীত গাবলৈ ধৰিলে। গিৰিয়েক টোপনি যোৱাৰ পাছতো তাই গীত গাইয়েই থাকিল।



তাই ইমানেই সুখী হৈছিল যে না কিবা কৰিব পাৰিছে, না টোপনি যাব পাৰিছে। অৱশেষত, মাজনিশাৰ আগে পিছে তাই জাঁত ঘূৰাবলৈ ধৰিলে। লগতে তাই গীতটো গাই থাকিল।






সেই সময়তে চাৰিটা চোৰে সিহঁতৰ ঘৰত মনে - মনে গাঁত খান্দিবলৈ ধৰিলে। সিহঁতে তাইৰ গীত শুনিলে:

খান্দে খৰক - খৰক  
খান্দে খৰক - খৰক  
সিহঁত থমকি ৰ'ল।





খবক




কিছু সময়ৰ পিছত সিহঁতে সকলো ঠিকেই আছে বুলি ভাবি গাঁতটোৰ মাজেৰে পিছলি ভিতৰলৈ সোমাবলৈ ধৰিলে। তেতিয়া পুনৰ মানুহ জনীয়ে গালে:


চুচৰে চৰক - চৰক
চুচৰে চৰক - চৰক
চোৰে থত-মত খালে।


- চৰক চুচৰে চৰক - চৰক

"মানুহ জনীয়ে কেনেকৈ গ'ম পালে আমি ভিতৰলৈ সোমাইছো বুলি!" ভয় খাই সিহঁতে ইফালে-সিফালে চাবলৈ ধৰিলে।

আনফালে মহিলা জনী গীত গোৱাত মগ্ন হৈ থাকিল:

চাইছে ইফালে - সিফালে
চাইছে ইফালে - সিফালে




চাইছে ইফালে - সিফালে

"আৰে! তাই চাগৈ আমাক সঁচাকৈয়ে দেখিছে," চোৰ কেইটাই ভাবিলে। "এতিয়া পলাই যোৱাই ভাল।"

ইফালে সিহঁত ঘৰৰ বেৰৰ ওপৰেদি জপিয়াই পলাবলৈ ধৰিলে আৰু মানুহ জনীয়ে গীতৰ শেষৰ শাৰীটো গালে:

জপিয়াই জপং জপং  
জপিয়াই জপং জপং




সেই গীত শুনি চোৰ কেইটা খৰ ধৰকৈ পলালে। সিহঁতে শপত খালে যে কেতিয়াও এই ঘৰৰ পৰা চুৰ নকৰোঁ।



মানুহজনীয়ে একো গমকে নাপালে তাইৰ গীতটোৱে কি যাদু কৰিলে। তাই মাথোঁ শস্য পিহি থাকিল।

ৰাতিপুৱা, গিৰিয়েক সাৰ পাই বেৰত এটা ফুটা দেখিলে আৰু কিছুমান ভৰিৰ ছাপ চকুত পৰিল। তেওঁ গোটেই ঘৰটো ভালদৰে চালে। একোৱেই হেৰুওৱা নাই।



তেওঁ পত্নীক সুধিলে, "কালি ৰাতি তুমি কি কৰি আছিলা? এনেকুৱা লাগিছে আমাৰ ঘৰলৈ কোনোবা অ-নিমন্ত্ৰিত আলহী আহিছিল।"

"অহ! মই একো গম পোৱা নাই দেখোন," পত্নী গৰাকীয়ে ক'লে। "মইটো গোটেই ৰাতি তুমি আনি দিয়া গীতটোহে অনুশীলন কৰি আছিলো।"



"বাহ:!" গিৰিয়েকে গৌৰৱেৰে ক'লে, "এনে লাগিছে যেন এই গীতটো সঁচাকৈয়ে এটা যাদুকৰী গীত। যি চোৰক খেদাই পঠালে।"

মানুহজনীয়ে মিচিকিয়াই ক'লে, "কিমান যে ভাল কথা এইটো! তুমি সঁচাকৈ মোৰ বাবে আটাইতকৈ সুন্দৰ গীত লৈ আনিছা।"

দুয়ো চাহ বনাই খালে আৰু গোটেই গাঁৱত এই কথা ক'বলৈ গ'ল সঠিক সময়ত সঠিক গীত গালে কেনেকৈ যাদু হ'ব পাৰে!



এখন গাঁৱৰ এগৰাকী মহিলাৰ চিন্তা। কিয়? - কাৰণ তাই কোনো গীত গাব নাজানে। গতিকে গীত বিছাৰি তাই লৰা -ঢপৰা আৰম্ভ হ'ল। অৱশেষত তাই এটা গীত বিচাৰি পালে। আৰু কি যাদুকৰী গীত!

কেনেকৈ পালে আৰু গীতটোৱে কি যাদু কৰিলে? এই কথা তুমি কিতাপখনৰ ভিতৰতে গম পাবা।


গীতৰ যাদু / GEET KA KAMAL

এটা বুণ্ডেলি লোককথা
চিত্ৰ: জিতেন্দ্ৰ ঠাকুৰ

অসমীয়া অনুবাদক: ৰাজেশ কুলি, বলিন পেগু
সম্পাদকীয় পৰামৰ্শদাতা: আয়াং ট্ৰাষ্ট এণ্ড দ্য হামিংবাৰ্ড স্কুল পৰিয়াল
সম্পাদকীয় সহযোগীতা: ইন্দু নায়ৰ, শিৱ নাৰায়ণ গৌৰ
প্ৰডাকচন সহযোগিতা: ইন্দু নায়ৰ, কমলেশ যাদৱ, মহম্মদ খিজৰ

পৰাগ ইনিচিয়েটিভ, টাটা ট্ৰাষ্টৰ বিত্তীয় সহযোগত বিকশিত

সংস্কৰণ জুন: ২০২৪ (১০০০ কপি)
কাগজ: ১৭০ জিএছএম মেট আৰ্ট কাৰ্ড কাগজ আৰু
৩৫০ জিএছএম কাগজৰ বৰ্ড (কভাৰ)

ISBN: 978-81-19771-59-2

মূল্য: ₹ 240.00

প্ৰকাশক: একলব্য ফাউণ্ডেচন,জামনালাল বাজাজ কমপ্লেক্স,
জাটখেড়ি, ভূপাল – ৪৬২ ০২৬ (মধ্য প্ৰদেশ)
ফোন ৯১ ৭৫৫ ২৯৭ ৭৭৭০-৭১-৭২
ৱেবছাইট www.eklavya.in

মুদ্ৰক: ভাণ্ডাৰী প্ৰেছ, ভূপাল (মধ্য প্ৰদেশ)




parag
AN INITIATIVE OF TATA TRUSTS
eklavya

মূল্য: ₹ 240.00